# অসম আদিত্য

৩৩৩ ■ ২২ আঘোণ, ১৯৪৭ শক ■ মঙলবাৰ, ৯ ডিচেম্বৰ, ২০২৫ ■ Asom Aditya, Dibrugarh, Tuesday, December 9, 2025 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ পৰা প্ৰ


## শিকা বন্ধ কৰিলে জিকাও স্তব্ধ হয় ঃ ড° শশীকান্ত শইকীয়া

ডিব্ৰুগড়, ৮ ডিচেম্বৰ ঃ শিক্ষাৰ কোনো বয়স নাই। জীৱনটো হ'ল এটা নিয়মীয়া, ধাৰাবাহিক শিকি থকাৰ প্ৰক্ৰিয়া। মানুহে যেতিয়াই শিকা বন্ধ কৰে তেতিয়াই জিকাও বন্ধ হৈ যায়। শিক্ষাৰ উদ্দেশ্য কেৱল ভাল চাকৰি পোৱা হ'ব নালাগে। ই মানুহৰ ভাল চৰিত্ৰ গঠন কৰা হোৱা উচিত।— ডিএইচএছ কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ, বিশিষ্ট সাহিত্যিক, লেখক ড০ শশীকান্ত শইকীয়াই আজি এনেদৰে কয়। ডিব্ৰুগড়ৰ প্ৰতিষ্ঠিত এখন বিদ্যালয় লিটিল ষ্টেপছৰ বাৰ্ষিক অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি তেওঁ কয়— জীৱনত সদায় উৎকৰ্ষ সাধনৰ বাবে চেষ্টা কৰা উচিত। সফলতাৰ পিছত দৌৰাতকৈ শ্ৰেষ্ঠতাৰ পিছত দৌৰিলে সফলতা আপোনা-আপুনি আহে। বিদ্যালয়খনৰ সঞ্চালক শৈলেন্দ্ৰ ভাগৱতীৰ উপস্থিতিত তেওঁ ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি কৰি কয় যে ছাত্ৰ-ছাত্ৰীয়ে সদায় প্ৰশ্ন কৰা উচিত, মুখস্থ কৰিলে নহ'ব। কিয় হৈছে, কেনেকৈ হৈছে এই প্ৰশ্নবোৰ শিক্ষাৰ্থীৰ মনলৈ আহি নিজকে অনুপ্ৰাণিত কৰা উচিত। কৌতূহল নহ'লে শিক্ষা সম্পূৰ্ণ নহয়; নিজৰ ভাল লগা কামটো, নিজৰ ভাল লগা বিষয়টো কৰি গ'লেহে জীৱনত আনন্দ লাভ কৰিব পাৰি। বিদ্যালয়খনৰ অধ্যক্ষ ৰুণু ভাগৱতীয়ে উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানত অধ্যক্ষগৰাকীয়ে কয়— প্ৰমাণ-পত্ৰ বা ডিগ্ৰীয়ে কেৱল পঢ়া বিদ্যালয়খনৰ খবছৰ কথা কয়। কিন্তু প্ৰকৃত শিক্ষা ব্যৱহাৰ আৰু কামত প্ৰকাশ পোৱা যায়। শ্ৰেষ্ঠতাৰ বাবে ধৈৰ্য, সংগ্ৰাম, আজীৱন শিক্ষা, সৃষ্টিশীলতাৰ ওপৰত নিৰ্ভৰ কৰে। যিমান পৰা যায় সিমান মুখস্থ বিদ্যা বৰ্জন কৰা উচিত। জীৱনৰ প্ৰকৃত শিক্ষা কেতিয়াও নম্বৰৰ খেল নহয়, প্ৰকৃত শিক্ষা হ'ল জীয়াই থকাৰ আনন্দ। অধ্যক্ষগৰাকীয়ে শিক্ষা আহৰণৰ প্ৰক্ৰিয়াক এখন ৰথৰ স'তে তুলনা কৰি মালিক, অভিভাৱক, শিক্ষক আৰু শিক্ষাৰ্থীক প্ৰত্যেককে একো একোটা ৰথৰ চকা বুলি উল্লেখ কৰে। অধ্যক্ষগৰাকীয়ে তেওঁৰ ভাষণত উইলিয়াম জেমছ, ষ্টীভ জবছ, ৰণ কুৰ্টুজৰ জীৱনৰ অভিজ্ঞতা, সফলতা-বিফলতা উল্লেখ কৰি কয়— মৃত্যুৱেই জীৱনৰ সৰ্বশ্ৰেষ্ঠ আৱিষ্কাৰ। ইনতুনক আঁতৰাই পুৰণিক ঠাই দিয়ে। সেয়ে জীৱনত মৃত্যুৰ অনুভৱ কৰি নিয়মীয়াকৈ, খৰখেদাকৈ কৰিব লগা কামবোৰ কৰি যাব লাগে বুলি উল্লেখ কৰে। প্ৰতিজন মানুহেই প্ৰতিভাসম্পন্ন বুলি উল্লেখ কৰি অধ্যক্ষগৰাকীয়ে সেই প্ৰতিভা চিনাক্ত কৰা উচিত আৰু শিক্ষকসকল একো একোজন ভাস্কৰ্য শিল্পী বুলিও কয়। শিক্ষকৰ একো একোটা প্ৰশংসাই শিক্ষাৰ্থীক জীৱনত সফল হোৱাত সহায় কৰে বুলি অধ্যক্ষগৰাকীয়ে কয়। ডিব্ৰুগড় জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত অনুষ্ঠিত অনুষ্ঠানৰ পূৰ্বে সুধাকণ্ঠ ভূপেন হাজৰিকা, জুবিন গাৰ্গৰ প্ৰতিকৃতিত বন্তি প্ৰজ্বলন কৰে সঞ্চালক শৈলেন্দ্ৰ ভাগৱতী আৰু মুখ্য অতিথি তথা কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই। কাৰ্যসূচীত ছাত্ৰ-ছাত্ৰীসকলে অতি মননশীলভাৱে গীত, নৃত্য পৰিৱেশন কৰে। আজি এই অনুষ্ঠানত জ্যেষ্ঠ সাংবাদিক মানসজ্যোতি দত্ত কে ধৰি তিনি শতাধিক অভিভাৱকৰ লগতে বহুকেইগৰাকী নিমন্ত্ৰিত ব্যক্তি উপস্থিত থাকে।